পাঠ ৮

স্ল স

# বীৰাংগনা মূলাগাভৰু

Q1C6X9

অসম এখন বুৰঞ্জীপ্ৰসিদ্ধ ৰাজ্য। ইয়াৰ লোকসকল বৰ উদাৰ আৰু কষ্টসহিষ্ণু। এওঁলোকৰ বীৰত্ব আৰু সাহসো অতুলনীয়। পুৰুষসকলৰ সমানে এই দেশৰ নাৰীয়েও প্ৰয়োজন হ'লে দেশৰ হকে যুঁজি মৃত্যু বৰণ কৰিব পাৰে। এনে বীৰাংগনাৰ অলেখ বীৰত্বৰ কাহিনীয়ে অসম ভূমিক মহীয়ান আৰু পৱিত্ৰ কৰিছে। সেই বীৰাংগনাসকলৰ ভিতৰত মূলাগাভৰুও অন্যতম।



এসময়ত আমাৰ ৰাজ্যখনত আহোমসকলে ৰাজত্ব কৰিছিল। আহোমসকলৰ ৰাজত্ব কালত পশ্চিমৰ মুছলমানসকলে কেইবাবাৰো অসম ৰাজ্য আক্ৰমণ কৰিছিল। আহোম ৰজা স্বৰ্গদেউ চুহুংমুং বা স্বৰ্গ নাৰায়ণৰ ৰাজত্ব কালতো মুছলমানসকলে অসম আক্ৰমণ কৰিছিল। তুৰ্বক আছিল মুছলমানসকলৰ প্ৰধান সেনাপতি। বাটত কোনো বাধা নোপোৱাকৈ তুৰ্বক সেনাপতি উজাই আহি কলিয়াবৰ পালেহি। স্বৰ্গদেৱে দেখিলে জোঁৰ পুৰি হাত পালেহি। কলিয়াবৰতে তুৰ্বকৰ সৈতে আহোম সেনাৰ থৈয়া-নথৈয়া ৰণ হ'ল। এই ৰণক 'কলিয়াবৰৰ ৰণ' বা 'কপিলী-গঙ্গা ৰণ' বুলিও বুৰঞ্জীত জনা যায়। ইতিমধ্যে মন্ত্ৰী বুঢ়াগোহাঁই প্ৰমুখ্যে আঠজন আহোমৰ প্ৰধান যোদ্ধা ৰণত পৰিল। স্বৰ্গদেউ বৰ চিন্তিত হ'ল। ইয়াৰ পাছত স্বৰ্গদেৱে আন এজন মন্ত্ৰী ফ্ৰাচেংমুং বৰগোহাঁইক প্ৰধান

সেনাপতি পাতি তুৰ্বকক প্ৰতিহত কৰিবলৈ আদেশ দিলে। এইজনা বৰগোহাঁইৰ পত্নীৰ নামেই মূলাগাভৰু। স্বৰ্গদেউৰ আদেশ মানি যুঁজলৈ যাবলৈ সাজু হৈ ফ্ৰাচেংমুং বৰগোহাঁয়ে পত্নী মূলাগাভৰুক কৰচ-কাপোৰ বিচাৰিলে। হঠাৎ বৰগোহাঁইদেউ যুঁজলৈ ওলোৱাত মূলাগাভৰু বিমোৰত পৰিল। বিশেষ লেঠাত মূলাগাভৰুৱে ৰাতিটোৰ ভিতৰতে কৰচ-কাপোৰ বৈ দিব নোৱাৰিলে। সেইবাবে তেওঁ বৰগোহাঁইক ৰণলৈ যাবলৈ বাধা দিলে। বৰগোহাঁয়ে ক'লে—'মই আৰু পলম কৰিব নোৱাৰোঁ। ৰণলৈ সকলো



আহিলা-পাতি সাজু হৈছে। কৰচ-কাপোৰ নোহোৱাকৈয়ে মই তুৰ্বকক ঘটুৱাব পাৰিম।' এইদৰে মূলাগাভৰুক বুজনি দি তেওঁ ৰণলৈ যাত্ৰা কৰিলে। দুয়োপক্ষৰ মাজত পুনৰ থৈয়া-নথৈয়া ৰণ হ'ল। তুৰ্বকৰ লগত প্ৰাণটাকি যুঁজিও বৰগোহাঁই জিকিব নোৱাৰিলে। অৱশেষত তেওঁ মৃত্যুক আকোঁৱালি ল'লে। বৰগোহাঁইৰ মৃত্যুৰ বাতৰি গড়গাঁও পালেগৈ। মূলাগাভৰু শোকত ভাগি পৰিল। তেওঁ ভাবিলে, 'ৰাতিটোৰ ভিতৰতে কৰচ-কাপোৰ বৈ দিব নোৱৰাৰ বাবেহে মোৰ বঙহৰদেউৰ এনে দশা হ'ল।'

স্বামীৰ মৃত্যুত বিচলিত নহৈ পতিহন্তা শত্ৰুৰ বিৰুদ্ধে যুঁজ দিবলৈ তেওঁ দৃঢ়প্ৰতিজ্ঞ হ'ল। স্বৰ্গদেউৰ আদেশ লৈ মূলাগাভৰুৱে হাতত হেংদাং লৈ হাতীত উঠি যুদ্ধক্ষেত্ৰলৈ ওলাল। মূলাগাভৰুৰ সাহস দেখি আন কেইবাগৰাকী আহোম ৰমণীয়েও তেওঁক সঙ্গ

দিলে। নাৰী বাহিনীৰ মনোবল আৰু বীৰত্ব দেখি আহোম সেনাৰ মনোবল দুগুণে বাঢ়িল। তেওঁলোকে মূলা গাভৰুৰ নেতৃত্বত মহাপৰাক্ৰমেৰে যুঁজি তুৰ্বকৰ বহু সৈন্য নিপাত কৰিলে। মুছলমান সৈন্যই মূলা গাভৰুৰ সাহস আৰু বীৰত্ব দেখি বিস্ময় মানিলে। তুৰ্বকৰ লগত ভেটা-ভেটি হোৱাত দুয়োৰে মাজত তুমুল যুদ্ধ হ'ল। অৱশেষত তুৰ্বকৰ অস্ত্ৰৰ আঘাতত মূলা গাভৰু হাতীৰ পিঠিৰ পৰা ঢলি পৰিল। পাছত কনচেং বৰপাত্ৰগোহাঁইৰ নেতৃত্বত আহোম সেনাই তুৰ্বকৰ সৈন্যক পৰাস্ত কৰি কৰতোয়া নদীলৈকে খেদি পঠালে। মূলা গাভৰুৰ মৃত্যু হ'ল সঁচা, কিন্তু তেওঁৰ আদৰ্শ চিৰস্মৰণীয় হৈ ৰৈ গ'ল। এনেদৰে দেশৰ হকে কাম কৰা অনেক মহিলাৰ নাম আমি পঢ়িবলৈ পাওঁ। সেইসকলৰ ভিতৰত ঝান্সী ৰাণী লক্ষ্মীবাই, চুলতানা ৰেজিয়া আদি উল্লেখযোগ্য।

*('আহোমৰ দিনৰ বুৰঞ্জী' আৰু সাহিত্যাচাৰ্য অতুলচন্দ্ৰ হাজৰিকাৰ 'শিশু-সাহিত্য সম্ভাৰ'ত থকা 'মূলাগাভৰু' কাহিনীটোৰ আধাৰত যুগুতোৱা হৈছে।)*



## জানো আহা

**কৰচ-কাপোৰ** : *ৰাতিটোৰ ভিতৰতে কপাহ নেওঠি, পাঁজি কাটি, সূতা কাটি ৰাতি নৌপুৱাওঁতেই বৈ কাটি উলিওৱা কাপোৰক 'কৰচ-কাপোৰ' বোলে। এনেধৰণে প্ৰস্তুত কৰা কাপোৰ পিন্ধি যুঁজলৈ গ'লে সেই যুদ্ধত জয়লাভ কৰে বুলি আহোমসকলে বিশ্বাস কৰিছিল।*

**স্বৰ্গদেউ** : *আহোম ৰজাসকলক সম্বোধন কৰি মতা শব্দ।*

**বীৰাংগনা** : *যুঁজাৰু তিৰোতা, সাহসী তিৰোতা।*

**বঙহৰদেউ** : *ওপৰ শ্ৰেণীৰ আহোম ভাৰ্যাই স্বামীক সম্বোধন কৰি মতা নাম।*


**স্বদেশপ্ৰেম** : *নিজৰ দেশৰ প্ৰতি ভালপোৱা ভাব।*

**ক্ৰিয়া-কলাপ**

## ক — পাঠভিত্তিক ক্ৰিয়া



উত্তৰ দিয়া।



(ক) ● মূলাগাভৰু কোন আছিল?

● তেওঁৰ স্বামীৰ নাম কি?

● মূলাগাভৰুৱে হেংদাং লৈ কিয় যুদ্ধক্ষেত্ৰলৈ ওলাল?

● কাৰ অস্ত্ৰাঘাতত মূলাগাভৰুৰ মৃত্যু হৈছিল?

(খ) ● তুৰ্বক কোন আছিল?

● তেওঁ অসমলৈ কিয় আহিছিল?

● যুদ্ধক্ষেত্ৰত কি দেখি তুৰ্বকবাহিনী বিস্মিত হৈছিল?

● কলিয়াবৰৰ ৰণত তুৰ্বক কাৰ হাতত পৰাস্ত হৈছিল?

(গ) ● কলিয়াবৰৰ ৰণ কাৰ কাৰ মাজত হৈছিল?

● কলিয়াবৰৰ ৰণক আৰু কি নামেৰে জনা যায়?

(ঘ) ● কৰচ-কাপোৰ কি?

● ইয়াক কেনেকৈ তৈয়াৰ কৰা হয়?

● মূলাগাভৰুৱে তেওঁৰ স্বামীয়ে কি কাৰণে ৰণত মৃত্যুবৰণ কৰা বুলি ভাবিছিল?

(ঙ) ● কোনজন আহোম ৰজাৰ দিনত তুৰ্বকে অসম আক্ৰমণ কৰিছিল?

● সেইজন স্বৰ্গদেউক আন কি নামেৰে জনা যায়?

● তুৰ্বকৰ হাতত আঠজন প্ৰধান যোদ্ধা মৰাৰ পাছত স্বৰ্গদেৱে কাক ৰণলৈ পঠিয়াইছিল?

● পাঠটোত মূলাগাভৰুৰ বাহিৰে আন কোন কোন বীৰাংগনাৰ নাম আছে?

কোনে, কেতিয়া আৰু কিয় কৈছিল কোৱা।

(ক) "মই আৰু পলম কৰিব নোৱাৰোঁ। ৰণলৈ সকলো আহিলা-পাতি সাজু হৈছে। কৰচ-কাপোৰ নোহোৱাকৈয়ে মই তুৰ্বকক ঘটুৱাব পাৰিম।"

(খ) 'ৰাতিটোৰ ভিতৰতে কৰচ-কাপোৰ বৈ-কাটি দিব নোৱৰাৰ বাবেহে মোৰ বঙহৰদেউৰ এনে দশা হ'ল।'

## খ— ভাষা অধ্যয়ন (ব্যাৱহাৰিক ব্যাকৰণ)

### যুক্তাক্ষৰ ভাঙি পঢ়োঁ আৰু লিখোঁ আহা

| | | | | | | | | | |
|---|---|---|---|---|---|---|---|---|---|
| ম্ল | ম | + | ল | মই | লই | ম্ল | ম্লান | অম্লান |
| ন্স | ন | + | স | নই | সই | ন্স | ফ্ৰান্স | ঝান্সী |

### যুক্তাক্ষৰ গঠন কৰোঁ আহা

| | | | |
|---|---|---|---|
| ন + স | নই | সই | ন্স |
| ম + ল | মই | লই | ম্ল |

☞ *এইদৰে ক্ল, গ্ল, প্ল, ফ্ল, ল্ল, শ্ল, ব্ল, হ্ল এই যুক্তাক্ষৰকেইটা ভাঙি পঢ়িবলৈ আৰু লিখিবলৈ শিকাব।*

### পঢ়োঁ আহা

| | | | |
|---|---|---|---|
| ক্ল | ক্লান্ত | ক্লেশ | শুক্লপক্ষ |
| গ্ল | গ্লানি | গ্লোব | গ্লুকোজ |
| প্ল | প্লেগ | প্লাৱন | বিপ্লৱ |
| ফ্ল | ফ্লেগ | ফ্লাস্ক | ফ্লোৰেন্স |
| ম্ল | ম্লান | অম্লান | অম্লজান |
| ল্ল | দিল্লী | উল্লাস | কল্লোল |



শ্ল   শ্লোক   শ্লেষ্মা   সংশ্লিষ্ট

ব্ল   ব্লেড   ব্লাউজ   ব্লেকবোর্ড

হ্ল   আহ্লাদ   প্রহ্লাদ



ফ্রান্সৰ ৰাজধানী পেৰিছ।

ঝান্সী ৰাণীয়ে ঘোঁৰাত উঠি যুদ্ধ কৰিছিল।

ফ্লোৰেন্স নাইটিংগেলে ৰুগীয়া মানুহৰ সেৱা কৰিছিল।

প্লেগ এবিধ সংক্ৰামক ৰোগ। শ্লাঘা মানে প্ৰশংসা।

## জানো আহা

অসম এখন বুৰঞ্জীপ্ৰসিদ্ধ ৰাজ্য। **ইয়াৰ** লোকসকল বৰ উদাৰ আৰু কষ্টসহিষ্ণু। **এওঁলোকৰ** বীৰত্ব আৰু সাহসো অতুলনীয়।

**অসম** এখন ৰাজ্যৰ নাম। গতিকে ই বিশেষ্য পদ। ওপৰৰ দ্বিতীয় বাক্যত থকা **ইয়াৰ** পদটোৱে **অসমক** বুজাইছে। অৰ্থাৎ **অসমৰ** সলনি ব্যৱহাৰ হৈছে।

**অসমৰ লোকসকল** বিশেষ্য পদ। ওপৰৰ তৃতীয় বাক্যটোত **অসমৰ লোকসকলৰ** ঠাইত **এওঁলোকৰ** পদটো বহিছে।

এনেদৰে **বিশেষ্য পদৰ সলনি ব্যৱহাৰ হোৱা পদকে সৰ্বনাম পদ বোলে।** ওপৰৰ **'ইয়াৰ'** আৰু **'এওঁলোকৰ'** পদ দুটা সৰ্বনাম পদ।

একেটা শব্দ বাৰে বাৰে ব্যৱহাৰ কৰিলে শুনিবলৈ শুৱলা নহয়। সেইকাৰণে বিশেষ্যৰ সলনি সৰ্বনাম পদ ব্যৱহাৰ কৰা হয়।

**তলৰ বাক্যকেইটা পঢ়া আৰু সৰ্বনাম পদবোৰ বাছি উলিয়াই লিখা। লগতে কোনটো বিশেষ্য পদৰ সলনি ব্যৱহাৰ হৈছে কাষত উল্লেখ কৰা।**

পৰিধিৰ ঘৰ নামশালা গাঁৱত। তাই সেই গাঁৱৰে পাঠশালাত পঢ়ে। তাইৰ ককাক গাঁওখনৰ গাঁওবুঢ়া। গাঁওবাসীয়ে তেখেতক সমীহ কৰি চলে। গাঁওবুঢ়ায়ো তেওঁলোকৰ সুখ-দুখৰ খবৰ ৰাখে।

| সৰ্বনাম পদ | কোনটো বিশেষ্য পদৰ সলনি বহিছে |
|---|---|
| তাই | পৰিধি |
| সেই | |
| | |
| | |
| | |
| | |
| | |
| | |



তোমালোকে পাঠটোত 'নাৰী' আৰু 'স্বামী' এই শব্দ দুটা পাইছা। প্ৰয়োগত পাৰ্থক্য থাকিলেও এই শব্দ দুটাৰ একে অৰ্থ প্ৰকাশ কৰা আৰু বহুত শব্দ আছে। যেনে—

নাৰী — স্ত্ৰী, তিৰোতা, মহিলা, ৰমণী, অংগনা

স্বামী — পতি, গৰাকী, নাথ, গিৰিহঁত, গিৰী, বঙহৰদেউ



এতিয়া তলৰ শব্দকেইটিৰ সমাৰ্থক (একে অৰ্থ প্ৰকাশক) শব্দ লিখোঁ আহা—

বঙহৰদেউ — ..............................................................................

পত্নী — ..............................................................................

ৰণ — ..............................................................................

শোক — ..............................................................................

নদী — ..............................................................................

☞ *নিৰীক্ষণৰ পাছত শিক্ষকৰ চহী*

**বাক্য ৰচনা কৰা।**

থৈয়া-নথৈয়া প্ৰাণটাকি দৃঢ়প্ৰতিজ্ঞ মহীয়ান

তুমুল চিৰস্মৰণীয় ভেটা-ভেটি

## গ — জ্ঞান সম্প্ৰসাৰণ

কলিয়াবৰ ৰণত কন্‌চেং বৰপাত্ৰগোহাঁয়ে তুৰ্বকক পৰাস্ত কৰি কৰতোয়া নদীলৈকে খেদি পঠিয়াইছিল। কিয়নো সেই সময়ত কৰতোয়ালৈ অসমৰ পৰিসীমা আছিল।

- **বৰ্তমান কৰতোয়া নদী কোন ৰাজ্যৰ মাজেৰে বৈ গৈছে ভূচিত্ৰাৱলী চাই উলিওৱা।**

**মোগলৰ হাতৰ পৰা অসমক ৰক্ষা কৰিবলৈ মূলা গাভৰুৱে প্ৰাণটাকি যুঁজি মৃত্যুক আঁকোৱালি লৈছিল। সেইদৰে ইংৰাজৰ হাতৰ পৰা আমাৰ দেশ উদ্ধাৰ কৰিবলৈ আমাৰ ৰাজ্যৰ কোন কোন বীৰাংগনাই স্বাধীনতা সংগ্ৰামত প্ৰাণ আহুতি দি ছহিদ হৈছিল কোৱা।**

**দলত আলোচনা কৰি উত্তৰ দিয়া।**

- 'কপিলী-গঙ্গা ৰণ' লগা কলিয়াবৰ বৰ্তমান কোন জিলাত অৱস্থিত?
- সেইখন জিলাৰ মেপত কপিলী নদী আৰু আকাশীগঙ্গা চিনাক্ত কৰা।
- কপিলী আৰু আকাশীগঙ্গা কি কি কাৰণত বিখ্যাত?

☞ *ভূচিত্ৰাৱলী চোৱাত সহায় কৰি দিব।*

- *প্ৰয়োজন অনুসৰি স্বাধীনতা সংগ্ৰামত প্ৰাণ আহুতি দিয়া বীৰাংগনাসকলৰ বিষয়ে জনাব।*
- *সম্ভৱ হ'লে কপিলী জলবিদ্যুৎ প্ৰকল্প আৰু পৱিত্ৰ আকাশীগঙ্গা দৰ্শন কৰাব।*

### জানো আহা

**চুলতানা ৰেজিয়া**— দিল্লীৰ ৰাজ সিংহাসনত বহা একমাত্ৰ নাৰীগৰাকী আছিল চুলতানা ৰেজিয়া। মোগল সাম্ৰাজ্যৰ পূৰ্বে দিল্লীৰ শাসন আছিল দাস বংশৰ হাতত। এই দাস বংশৰে জীয়াৰী চুলতানা ৰেজিয়া। অতি কম সময়তে শত্ৰুৰ ষড়যন্ত্ৰত ৰেজিয়াই স্বামীসহ যুদ্ধক্ষেত্ৰত প্ৰাণ দিব লগা হয়।

**তুৰ্বকৰ বাহিৰেও মীৰজুমলা, ৰামসিংহ আদিয়েও অসম আক্ৰমণ কৰিছিল। মহাপৰাক্ৰমী মোগল সেনাপতি ৰামসিংহক বীৰ লাচিতে শৰাইঘাটৰ ৰণত পৰাস্ত কৰিছিল। সেইজনা অসমীয়া বীৰৰ বিষয়ে লিখা।**




### ঘ—প্ৰকল্প

- এসময়ত আহোম ৰাজ্যৰ ৰাজধানী গড়গাঁও আছিল। এতিয়াও তাত আহোম ৰাজত্বকালৰ অনেক কীৰ্তিচিহ্ন আছে। সেইবোৰৰ বিষয়ে পুথি-পাঁজি চাই বা বিজ্ঞজনক সোধা-পোছা কৰি তথ্য সংগ্ৰহ কৰি টোকা বহীত লিখা।

- তোমালোকৰ অঞ্চলত কিবা বুৰঞ্জীপ্ৰসিদ্ধ ঘটনা নাইবা ৰজাদিনীয়া দ'ল- দেৱালয়, পুখুৰী, শিলালিপি আদি আছে নেকি? যদি আছে, সেইবোৰৰ বিষয়ে তথ্য সংগ্ৰহ কৰি চমু টোকা লিখা।